# ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্য্যালয়, গুৱাহাটী

## প্ৰেছ বিজ্ঞপ্তি

### ৩১/০৮/২০১৯ তাৰিখে চূড়ান্ত এন আৰ্ চি প্ৰকাশ

মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশ অনুসাৰে ২০১৩ চনত অসমত এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াৰ কাম আৰম্ভ হয়। তেতিয়াৰ পৰা উচ্চতম ন্যায়ালয়ে এন আৰ চি উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো সুক্ষ্মভাবে তদাৰকী কৰি আহিছে। নাগৰিকত্ব (নাগৰিকৰ পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) বিধি, ২০০৩ ৰ অধীনৰ পৰিশিষ্ট 4A ধাৰাৰ আধাৰত সম্পন্ন হ'বলগা অসমৰ এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়া দেশৰ অন্যান্য অংশৰ বাবে প্ৰযোজ্য বিধি বিধানৰ লগত নিমিলে। এই নিয়মাৱলী অসম চুক্তিৰ আধাৰত নিৰ্ণিত ১৯৭১ চনৰ ২৪ মাৰ্চ্চ (মাজনিশা) ৰ সময়সীমা অনুযায়ী প্ৰস্তূত কৰা হৈছে।

২০১৫ চনৰ মে' মাহৰ শেষৰ ফালে এন আৰ চি'ৰ আবেদনপ্ৰপত্ৰ গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু ৩১ আগষ্টত অন্ত পৰে। ৬৮,৩৭,৬৬০ খন আবেদনপ্ৰপত্ৰ যোগে মুঠ ৩,৩০,২৭,৬৬১ জন সদস্যই আবেদন দাখিল কৰে। এন আৰ চি'ত অন্তৰ্ভুক্তিৰ যোগ্যতা নিৰূপণৰ বাবে আবেদনকাৰীসকলে দাখিল কৰা নথিপত্ৰ সমূহ পৰীক্ষণৰ কাৰণে লোৱা হয়। এন আৰ চি উন্নীতকৰণ এক অতিশয় বৃহৎ প্ৰক্ৰিয়া য'ত ৫২,০০০ ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্ম্মচাৰী সুদীৰ্ঘ সময়ৰ বাবে নিয়োজিত হৈছে। অন্তৰ্ভুক্তি আৰু বাদ দিয়াৰ সকলোবোৰ সিদ্ধান্ত এইসকল আইনসিদ্ধ বিষয়াই লয়। এন আৰ চি উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো বস্তুনিষ্ঠতা আৰু স্বচ্ছতাৰে নিখুঁত ভাবে ৰূপায়ন কৰা হৈছে। প্ৰক্ৰিয়াটোৰ প্ৰতিটো স্তৰতে সকলো আবেদনকাৰীকে দাবী প্ৰতিপন্ন কৰাৰ পৰ্য্যাপ্ত সুযোগ দিয়া হৈছে। সকলো স্তৰতে বিধিগত প্ৰণালী অনুসৰণ কৰি সমগ্ৰ প্ৰক্ৰিয়াটো আইন প্ৰদত্ত ব্যৱস্থা মতে ৰূপায়ন কৰা হৈছে।

মাননীয় উচ্চতম ন্যায়ালয়ৰ হুকুম অনুসাৰে যোগ্যতাৰ ভিত্তিত ২, ৮৯, ৮৩, ৬৭৭ জন সদস্যৰ অন্তৰ্ভুক্তিৰে ৩০ জুলাই, ২০১৮ তাৰিখে সম্পুৰ্ণ খচৰা এন আৰ চি প্ৰকাশ কৰা হয়। তাৰ পিছত বাদ পৰা আবেদনকাৰীৰ বিপৰীতে মুঠ ৩৬,২৬,৬৩০ জন ব্যক্তিৰ পৰা দাবীপ্ৰপত্ৰ পোৱা হয়। নাগৰিকত্ব (নাগৰিকৰ পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) বিধি, ২০০৩ ৰ অধীনৰ পৰিশিষ্টৰ ধাৰা 4(3)ৰ বিধান অনুযায়ী সম্পুৰ্ণ খচৰা এন আৰ চি ত অন্তৰ্ভুক্ত হোৱা ব্যক্তি সকলৰো পৰীক্ষণ কাৰ্য্যকৰীকৰণ কৰা হয়। সম্পূৰ্ণ খচৰা এন আৰ চি'ত মুঠ ১,৮৭,৬৩৩ জন আবেদনকাৰীৰ নাম অন্তৰ্ভুক্তিৰ বিৰূদ্ধে আপত্তি পোৱা হয়। অন্তৰ্ভুক্তিৰ অযোগ্য বিবেচিত ১,০২,৪৬২ জন সদস্যৰ নাম সন্নিবিষ্ট আন এখন অতিৰিক্ত খচৰা বাদ পৰা তালিকা ২৬ জুন, ২০১৯ তাৰিখে প্ৰকাশ কৰা হয়। ইতিমধ্যে অন্তৰ্ভূক্ত হোৱা সদস্যসকলক সামৰি আৰু দাবী আৰু আপত্তি নিষ্পত্তি কৰাৰ তথা 4(3) ধাৰাৰ অধীনৰ ব্যৱস্থাৱলী কাৰ্য্যকৰী কৰাৰ পিছত ৩,১১,২১,০০৪ জন সদস্য চূড়ান্ত এন আৰ চি'ত অন্তৰ্ভুক্তিৰ বাবে যোগ্য বিবেচিত হয় আৰু দাবী দাখিল নকৰা সকলক ধৰি মুঠ ১৯,০৬,৬৫৭ জন বাদ পৰে।

আজি (৩১/০৮/২০১৯) পুৱা ১০ বজাৰ পৰা সংযোজনী অন্তৰ্ভুক্তিৰ তালিকাৰ প্ৰতিলিপি জনাসাধাৰণে চোৱাৰ বাবে এন আৰ চি সেৱা কেন্দ্ৰ, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় তথা জিলা উপায়ুক্তৰ কাৰ্য্যালয়ত কাৰ্য্যালয় চলি থকাৰ সময়ত উপলব্ধ হ'ব । অন্তৰ্ভুক্তিৰ আৰু বাদ পৰাৰ উভয়ৰে স্থিতি এন আৰ চি ৱেবচাইট (www.nrcassam.nic.in) ত অনলাইন (Online) উপলব্ধ হ'ব।

দাবী আৰু আপত্তিৰ ফলাফলত কোনো ব্যক্তি অসন্তুষ্ট হ'লে বিদেশী ন্যায়াধীকৰণত আপীল কৰিব পাৰিব।

স্বা:

প্ৰতীক হাজেলা, ভা. প্ৰ. সে.

ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম।

৩১/০৮/২০১৯